# "অসমীয়া সমাজত তামোল-পাণ"

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতক তৃতীয় বৰ্ষৰ ষষ্ঠ ষান্মাসিকৰ অসমীয়া DSE-3(H) কাকতৰ বাবে প্ৰস্তুত কৰা ক্ষুদ্ৰ গৱেষণা প্ৰকল্প


তত্ত্বাৱধায়ক
ড° মৃণালী কাগ্‌য়ুং
সহকাৰী অধ্যাপিকা
অসমীয়া বিভাগ

প্ৰস্তুতকৰ্তা
অনন্যা বড়া
স্নাতক তৃতীয় বৰ্ষৰ
ষষ্ঠ ষান্মাসিক
অসমীয়া বিভাগ
ৰোল নংঃ ৩০৮১০০৬৩
পঞ্জীয়ন নংঃ S1921535

নন্দনাথ শইকীয়া মহাবিদ্যালয়, তিতাবৰ

অসমীয়া বিভাগ

নন্দনাথ শইকীয়া মহাবিদ্যালয়

স্থাপিতঃ ১৯৫৯

তিতাবৰ, জিলা-যোৰহাট, অসম, পিন- ৭৮৫৬৩০

---

## প্ৰমাণ পত্ৰ

শ্ৰীমতী অনন্যা বড়া স্নাতক কলা শাখাৰ ষষ্ঠ যান্মাসিকৰ (বিশ্ববিদ্যালয়ৰ ৰোল নম্বৰ-৩০৮১০০৬৩) ছাত্ৰী। তেওঁ মোৰ তত্ত্বাৱধানত DSE-3(H) পাঠ্যক্ৰমৰ অন্তৰ্গত প্ৰকল্প কাকতৰ বাবে "অসমীয়া সমাজত তামোল-পাণ" বিষয়ত গৱেষণা কাৰ্য সম্পন্ন কৰি প্ৰকল্পটিৰ এটি প্ৰতিবেদন প্ৰস্তুত কৰিছে। তেওঁ সম্পূৰ্ণ নিজা অধ্যয়নৰ জৰিয়তে এই প্ৰতিবেদন দাখিল কৰিছে।

গৱেষণা কাৰ্যত তেওঁৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰিলোঁ।

তত্ত্বাৱধায়ক

অসমীয়া বিভাগ

নন্দনাথ শইকীয়া মহাবিদ্যালয়

তিতাবৰ।

Department of Assamese

Date

Nanda Nath Saikia Co

# অসমীয়া বিভাগ

# নন্দনাথ শইকীয়া মহাবিদ্যালয়

তিতাবৰ, জিলা- যোৰহাট, অসম, পিন- ৭৮৫৬৩০

ক নং.........

তাৰিখ ঃ ০৭০৭.২০২২

**প্ৰমাণ পত্ৰ**

শ্ৰীমতী অনন্যা বড়া স্নাতক ষষ্ঠ ষান্মাসিক কলা শাখাৰ (বিশ্ববিদ্যালয়ৰ ৰোল নম্বৰ ঃ ৩০৮১০০৬৭)ৰ ছাত্ৰী। তেওঁ ড° মৃণালী কাগ্যুঙৰ তত্ত্বাৱধানত **DSE-3(H)** পাঠ্যক্ৰমৰ অন্তৰ্গত প্ৰকল্প কাকতৰ "অসমীয়া সমাজত তামোল-পাণ" বিষয়ত গৱেষণা কাৰ্য সম্পন্ন কৰি প্ৰকল্পটিৰ এটি প্ৰতিবেদন প্ৰস্তুত কৰিছে।

গৱেষণা প্ৰকল্প কাৰ্যত তেওঁৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰিলোঁ।

মৃণালী কাগ্যুং

বিভাগীয় প্ৰধান
অসমীয়া বিভাগ,
নন্দনাথ শইকীয়া মহাবিদ্যালয়,
তিতাবৰ।

Head
Department of Assamese
Nanda Nath Saikia College
Titabar

## কৃতজ্ঞতা স্বীকাৰ

জ্ঞান হ'ল এক অমূল্য সম্পদ। শৈশৱৰ পৰা আমি জ্ঞান লাভ কৰি আহিছোঁ। জ্ঞান লাভৰ পৰিধি বৰ বিশাল। নন্দনাথ শইকীয়া মহাবিদ্যালয়ৰ ষষ্ঠ যান্মাসিকৰ প্ৰকল্প পাঠ্যক্ৰমটো এটা গুৰুত্বপূৰ্ণ বিষয়। এই প্ৰকল্পটো ৰূপায়ন কৰাজনক মই বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰিছোঁ।

মোৰ এই গৱেষণা গ্ৰন্থখনি প্ৰস্তুত কৰাৰ ক্ষেত্ৰত তত্ত্বাৱধায়কৰ দায়িত্ব লৈ গৱেষণা বিষয়ৰ প্ৰয়োজনীয় সকলো তথ্যৰ দিশতে পৰামৰ্শ দি মোক সহায় কৰাৰ বাবে অসমীয়া বিভাগৰ সহকাৰী অধ্যাপিকা ড° মৃণালী কাগয়ুং বাইদেউক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। মোৰ বিভিন্ন কামত সহায়-সহযোগিতা আগবঢ়োৱা যিসকল বন্ধু-বান্ধৱী, পৰিয়ালবৰ্গই এই গৱেষণাখন প্ৰস্তুত কৰোঁতে সহায় কৰিছে তেওঁলোকক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সৰ্বশেষত মোৰ লেখনিসমূহ ছপা আকাৰে দিয়াৰ ক্ষেত্ৰত সহায় কৰা সমূহ কতৃপক্ষলৈ অশেষ ধন্যবাদ জ্ঞাপন কৰিছোঁ আৰু লগতে মোৰ এই গৱেষণা পত্ৰখনি প্ৰস্তুত কৰোঁতে অজ্ঞাতবসতঃভাবে বহুতো ভুল-ত্ৰুটি ৰৈ গৈছে তাৰ বাবে পঢুৱৈ সমাজক ক্ষমা বিচাৰিছোঁ আৰু এই ভুলবোৰ আঙুলিয়াই দি শুধৰাই লয় যেন।

শ্ৰীমতী অনন্যা বড়া

অনন্যা বড়া
স্নাতক ষষ্ঠ যান্মাসিক
অসমীয়া বিভাগ

# সূচীপত্ৰ

কৃতজ্ঞতা

তত্ত্বাৱধায়কৰ প্ৰমাণপত্ৰ

বিভাগীয় প্ৰধানৰ প্ৰমাণপত্ৰ

| | |
|---|---|
| ১.০ অৱতৰণিকা | ১ |
| ১.১ বিষয়ৰ পৰিচয় | ১ |
| ১.২ বিষয়ৰ পৰিসৰ | ১-২ |
| ১.৩ বিষয়ৰ গুৰুত্ব | ২ |
| ১.৪ বিষয়ৰ পদ্ধতি | ২ |
| ১.৫ পূৰ্বকৃত অধ্যয়নৰ সমীক্ষা | ২-৩ |

দ্বিতীয় অধ্যায়ঃ

| | |
|---|---|
| ২.০ তামোল-পাণৰ উৎপত্তি | ৫ |
| ২.১ তামোল-পাণৰ প্ৰজনন প্ৰক্ৰিয়া | ৫-৬ |

তৃতীয় অধ্যায়ঃ

| | |
|---|---|
| ৩.০ অসমীয়া সমাজত তামোল-পাণ | ৭ |
| ৩.১ ধৰ্মীয় ৰীতি-নীতি আৰু তামোল-পাণ | ৭-৯ |
| ৩.২ প্ৰেম নিবেদনৰ ক্ষেত্ৰত তামোল-পাণ | ৯-১০ |
| ৩.৩ বিয়া-বাৰুৰ ক্ষেত্ৰত | ১০-১১ |
| ৩.৪ দৰৱ আৰু মন্ত্ৰ হিচাপে তামোল-পাণৰ ব্যৱহাৰ | ১১-১২ |

চতুৰ্থ অধ্যায়ঃ

| | |
|---|---|
| ৪.০ অসমত তামোল খোৱা প্ৰথা | ১৩-১৪ |

পঞ্চম অধ্যায়ঃ

| | |
|---|---|
| ৫.০ উপসংহাৰ | ১৫ |
| ৫.১ সিদ্ধান্ত | ১৫ |

প্ৰসংগটোকা

সহায়ক গ্ৰন্থপঞ্জী

তথ্যদাতাৰ তালিকা

আলোকচিত্ৰ

# প্রথম অধ্যায়

# ১.০ অৱতৰণিকা:

## ১.১ বিষয়ৰ পৰিচয়:

তামোল পাণ অসমীয়া সমাজ জীৱনৰ এক অপৰিহাৰ্য উপাদান। তামোল এবিধ গছত লগা ফল আনহাতে পাণ হ'ল এবিধ লতাজাতীয় উদ্ভিদ। তামোল পাণে অসমীয়া জাতীয় জীৱনত কিমান যে অৰিহণা যোগাইছে তাৰ সীমা সংখ্যা নাই। ঔষধ, সামাজিক, ধৰ্মীয় আদি ক্ষেত্ৰত তামোল-পাণৰ প্ৰভাৱ সুদূৰ প্ৰসাৰী। ক'বলৈ গ'লে তামোল পাণৰ অবিহনে যেন সকলো মাংগলিক কাৰ্যই আধৰুৱা হৈ পৰে। সাধাৰণতে অসমৰ গাঁওবোৰত ইয়াৰ অধিকতম ব্যৱহাৰ দেখা পোৱা যায় যদিও চহৰ অঞ্চলতো ইয়াৰ ব্যৱহাৰ কম নহয়। বৰ্তমান অসমত বহুলোকেই তামোল পাণ বিক্ৰী কৰিয়েই জীৱন নিৰ্বাহ কৰি আছে।

তামোলৰ অন্য এক নাম হ'ল গুৱা। ইংৰাজীত ইয়াক( Arecanut বা Betel nut) বোলা হয়। আৰু বৈজ্ঞানিক নাম হ'ল Areca Catechu(Linn)। সমগ্ৰ অসমৰ বাহিৰেও ভাৰতবৰ্ষৰ বিভিন্ন প্ৰদেশত ভিন্ন ভিন্ন ৰূপত ইয়াৰ ব্যৱহাৰ দেখা যায়। কেঁচা তামোলৰ লগত পাণ খোৱাটো অসমীয়া সমাজৰ এক বিশেষত্ব।

কোনো কোনো মতে তামোল খোৱা প্ৰথাটো দ্ৰাবিড়ীয় প্ৰথা। কাৰণ (Betal) তামোল শব্দটোৱেই মালায়ালম ভাষাৰ 'বেটিলা' শব্দৰ পৰা অহা। পশ্চিম উপকূললৈ অহা পৰ্তুগীজ ব্যৱসায়ীসকলে এই দ্ৰাবিড়ীয় শব্দটো সৰ্বত্ৰ প্ৰচাৰ কৰে। Areca (তামোল) শব্দটোৰো উৎপত্তি দক্ষিণাত্যতে। কানাড়ী 'অড়িকে' শব্দৰ পৰা এই শব্দটো আহিছে। মহামহোপাধ্যায় কাণেৰ মতে দক্ষিণ ভাৰতত তামোলৰ প্ৰবৰ্তন সম্ভৱত খ্ৰীষ্টীয় শতিকা আৰম্ভ হোৱাৰ কিছুদিনৰ পূৰ্বে। ইয়াৰ পিছতহে এই প্ৰথা উত্তৰ-ভাৰতলৈ বিয়পে।

## ১.২ বিষয়ৰ পৰিসৰ:

অসমীয়া সমাজত তামোল খোৱা অভ্যাসটো সকলো স্তৰৰ লোকৰে আছে। সাধাৰণতে ল'ৰা-ছোৱালী, ডেকা-গাভৰু, বুঢ়া-বুঢ়ী সকলোৱে সকলো সময়তে তামোল খায়। বিশেষকৈ ভাত

খোৱাৰ পাছত মুখশুদ্ধি হিচাপে তামোল খোৱাটো অসমীয়া সমাজৰ বৈশিষ্ট্য। কিছুমান লোকৰ অনবৰতে তামোল খোৱা অভ্যাস, আনকি ৰাতি সাৰ পাই উঠি তামোল খোৱাৰ অভ্যাস বহুতো বয়সীয়াল অসমীয়া মানুহৰ আছে। বুঢ়া লোকসকলে খুন্দনা ব্যৱহাৰ কৰি মিহিকৈ খুন্দি লৈ তামোল খায়। কোনো কোনোৱে তামোল খোৱা ৰীতিটো দ্ৰাবিড় সংস্কৃতিৰ পৰা অহা বুলি দাবী কৰে।

সংস্কৃত সাহিত্যত বিশেষকৈ ঋক্‌বেদৰপৰা আৰম্ভ কৰি ব্ৰাহ্মণ উপনিষদৰ সময়লৈ আৰু ৰামায়ণ-মহাভাৰত আদি মহাকাব্যৰ যুগলৈকে তামোলৰ ব্যৱহাৰ উল্লেখ ক'তো পোৱা নাযায়। সম্ভৱতঃ ভাত খোৱাৰ পাছত তামোল খোৱাৰ প্ৰথা প্ৰথমে পালি সাহিত্যতহে পোৱা যায়। স্মৃতিশাস্ত্ৰত ভাত খোৱাৰ পাছত তামোল খোৱা ৰীতিৰ উল্লেখ আছে।

## ১.৩ বিষয়ৰ পদ্ধতিঃ

অসমীয়া সমাজত তামোল-পাণ সম্পৰ্কে অধ্যয়ন কৰিবলৈ যাওঁতে সমাজতত্ত্বমূলক পদ্ধতিৰ সহায় লোৱা হৈছে।

## ১.৪ পূৰ্বকৃত অধ্যয়নৰ সমীক্ষাঃ

অসমীয়া সমাজত তামোল-পাণৰ ওপৰত পূৰ্বতে বিৰিঞ্চি কুমাৰ বৰুৱাৰ 'অসমৰ লোক-সংস্কৃতি' গ্ৰন্থখনত অসমীয়া সমাজত তামোল-পাণৰ গুৰুত্ব আৰু ব্যৱহাৰ সম্পৰ্কে আলোচনা কৰা দেখা গৈছে। চাও লোকেশ্বৰ গগৈদেৱে 'অসমৰ লোক-সংস্কৃতি-২' ত লোক-বিশ্বাস আৰু লোক-সাহিত্যত তামোল-পাণৰ বিষয়ে আলোচনা কৰিছে।

## ১.৫ বিষয়ৰ গুৰুত্বঃ

তামোল-পাণ অসমীয়া জনসমাজত অতি অপৰিহাৰ্য। নাম-প্ৰসঙ্গ, পূজা-পাৰ্বণ আদি ধৰ্মীয়

অনুষ্ঠানত তামোল-পাণ নহ'লেই নহয়। প্ৰসাদৰ শৰাইত বা খোল বা ডোনা (কলপটুৱাৰে নিৰ্মিত) ত থুৰীয়া তামোল-পাণ থাকিবই লাগিব। নাম-প্ৰসঙ্গৰ গুৰি ধৰোঁতা ভকত বা গোঁসাই বা পূজাৰ গুৰি ধৰোঁতা পূজাৰী বা পুৰোহিতক তেখেতসকলক নিজ কামৰ দায়িত্ব দিয়া (নৱণ দিয়া) ৰ সময়ত গোঁধা তামোল-পাণ সহিত মান সহকাৰে অনুৰোধ জনোৱা হয়। তেখেতসকলৰ কৰ্ম শেষ হোৱাৰ পিছত নিমন্ত্ৰিত অভ্যাগতসহ সকলোকে আপ্যায়ন কৰাই দিয়াৰ সময়ত গৃহস্থই তামোল-পাণেৰে সজোৱা শৰাই তেখেতসকলৰ প্ৰতি আগবঢ়াই মূৰ দোঁৱাই আশীৰ্বাদ লোৱাটো অসমীয়া সমাজৰ এটি প্ৰচলিত নিয়ম।

# দ্বিতীয় অধ্যায়

## ২.০ তামোল-পাণৰ উৎপত্তিঃ

তামোল গছৰ পৰা তামোলৰ উৎপত্তি হয় আৰু পাণ গছৰ পাতৰ পৰা পাণ। তামোল-পাণ এটা আনটোৰ পৰিপূৰক। তামোল গছডাল প্ৰাপ্তবয়স্ক অৱস্থাৎ দীঘলে প্ৰায় ৫০ ফুটমান ওখ আৰু ৬-৭ ইঞ্চি মান বহল হয়। পাণ এবিধ লতাজাতীয় গছ। অসমত সাধাৰণতে তামোল, মদাৰ, নাৰিকল আদি গছৰ গুৰিত ইয়াক ৰোপণ কৰা হয়। কোনো কোনো ঠাইত বাঁহৰ চাং পাতিও ইয়াৰ খেতি কৰা হয়।

তামোল গছ এবিধ শাখা-প্ৰশাখাবিহীন তাল জাতীয় উদ্ভিদ। তামোল হিচাপে খোৱা ফলবোৰ এই গছত ঠোকে-ঠোকে লাগে। পুৰঠ তামোল জেঠ-আহাৰ মাহত ভাল সঁচৰ নিৰোগী গছৰপৰা বাছি লৈ প্ৰথমে গজালি ওলাবলৈ পচাই লোৱা হয়। এনেদৰে তামোলৰ পালেং প্ৰস্তুত কৰি পোন্ধৰ ফুটমান দূৰে-দূৰে লগোৱা হয়।

তামোল পুলি ৰোৱা ঠাইডোখৰত পানী জমা হ'ব নালাগে। তামোল পুলি ৰোৱাৰ ৫-৬ বছৰৰ পিছত ফল লাগিবলৈ আৰম্ভ কৰে। তামোল ঠোক হিচাপে লাগে। একে জোপা গছত এবাৰতে কেইবাটাও তামোলৰ ঠোক ধৰে। একবাৰে ওপৰৰ ঠোকৰ তামোলতকৈ তলৰ ঠোকৰ তামোল খাবলৈ বেছি ভাল হয়। জেঠৰপৰা শাওণ মাহৰ ভিতৰত তামোলবিলাক পৈণত হৈ পকি উঠে। তামোলৰ ফুলবিলাকক ডাবি বুলি কয়। আৰু ডাবি মেলা পদ্ধতিক ডবিওৱা বুলি কয়। গছৰ পকা তামোলবিলাক যথা সময়ত সংগ্ৰহ কৰি আনি ভাল-বেয়া, ডাঙৰ-সৰু ভাগ কৰি বাছি পেলোৱা হয়। অসমীয়া মানুহে অভিনৱ পদ্ধতিৰে তামোল সংৰক্ষণ কৰে। তামোল বিলাক শুকোৱাই নষ্ট নহ'বৰ কাৰণে মাটিত গাঁত খান্দি পুতি থয়। ডেৰ/দুই ফুট ব্যাসাৰ্ধৰ ৩/৪ ফুট দ' গাঁত খান্দি গাঁতৰ তলত আৰু চাৰিওফালে তামোলৰ চকুৱা পাৰি দি হিচাপ কৰি (৪ টাই ১ অঁৰা, ২০ অঁৰাই ১ পোণ) তামোলেৰে গাঁতটো পূৰাই দিয়া হয়। গাঁতটো পূৰ হ'লে পুণৰ ঢকোৱাৰে তামোলখিনি ঢাকি দি তাৰ ওপৰত বতাহ সোমাব নোৱাৰাকৈ টানকৈ মাটি চপাই দিয়া হয়। ইয়াকে তামোল গোৰোৱা বুলি কয়। ইয়াৰ ফলত বাহিৰৰ বাকলিখন গেলি গৈ ভিতৰৰ খোৱা তামোল ফলটো বহু দিনলৈকে ভালে থাকে। গোৰোৱা তামোলৰ আদৰ সুকীয়া। অস্থায়ীভাৱে ঘৰত ব্যৱহাৰ কৰিবলৈ বহুতে মাটিৰ কলহ বা টেকেলীত পানী ভৰাই তামোল ডুবাই থয়। তেতিয়াও বাকলি গেলি যায়। বাকলি গেলিলে অৱশ্যে বৰ বেয়া গোন্ধ ওলায়। তথাপি তামোল খোৱা অসমীয়া মানুহে লোভ এৰিব নোৱাৰে।

খোৱাৰ পাছত মুখশুদ্ধি হিচাপে তামোল খোৱাটো অসমীয়া সমাজৰ বৈশিষ্ট্য। কিছুমান লোকৰ অনবৰতে তামোল খোৱা অভ্যাস, আনকি ৰাতি সাৰ পাই উঠি তামোল খোৱাৰ অভ্যাস বহুতো বয়সীয়াল অসমীয়া মানুহৰ আছে। বুঢ়া লোকসকলে খুন্দনা ব্যৱহাৰ কৰি মিহিকৈ খুন্দি লৈ তামোল খায়। কোনো কোনোৱে তামোল খোৱা ৰীতিটো দ্ৰাবিড় সংস্কৃতিৰ পৰা অহা বুলি দাবী কৰে।

সংস্কৃত সাহিত্যত বিশেষকৈ ঋক্‌বেদৰপৰা আৰম্ভ কৰি ব্ৰাহ্মণ উপনিষদৰ সময়লৈ আৰু ৰামায়ণ-মহাভাৰত আদি মহাকাব্যৰ যুগলৈকে তামোলৰ ব্যৱহাৰ উল্লেখ ক'তো পোৱা নাযায়। সম্ভৱতঃ ভাত খোৱাৰ পাছত তামোল খোৱাৰ প্ৰথা প্ৰথমে পালি সাহিত্যতহে পোৱা যায়। স্মৃতিশাস্ত্ৰত ভাত খোৱাৰ পাছত তামোল খোৱা ৰীতিৰ উল্লেখ আছে।

## ১.৩ বিষয়ৰ পদ্ধতিঃ

অসমীয়া সমাজত তামোল-পাণ সম্পৰ্কে অধ্যয়ন কৰিবলৈ যাওঁতে সমাজতত্ত্বমূলক পদ্ধতিৰ সহায় লোৱা হৈছে।

## ১.৪ পূৰ্বকৃত অধ্যয়নৰ সমীক্ষাঃ

অসমীয়া সমাজত তামোল-পাণৰ ওপৰত পূৰ্বতে বিৰিঞ্চি কুমাৰ বৰুৱাৰ 'অসমৰ লোক-সংস্কৃতি' গ্ৰন্থখনত অসমীয়া সমাজত তামোল-পাণৰ গুৰুত্ব আৰু ব্যৱহাৰ সম্পৰ্কে আলোচনা কৰা দেখা গৈছে। চাও লোকেশ্বৰ গগৈদেৱে 'অসমৰ লোক-সংস্কৃতি-২' ত লোক-বিশ্বাস আৰু লোক-সাহিত্যত তামোল-পাণৰ বিষয়ে আলোচনা কৰিছে।

## ১.৫ বিষয়ৰ গুৰুত্বঃ

তামোল-পাণ অসমীয়া জনসমাজত অতি অপৰিহাৰ্য। নাম-প্ৰসঙ্গ, পূজা-পাৰ্বণ আদি ধৰ্মীয়

অনুষ্ঠানত তামোল-পাণ নহ'লেই নহয়। প্ৰসাদৰ শৰাইত বা খোল বা ডোনা (কলপটুৱাৰে নিৰ্মিত) ত থুৰীয়া তামোল-পাণ থাকিবই লাগিব। নাম-প্ৰসঙ্গৰ গুৰি ধৰোঁতা ভকত বা গোঁসাই বা পূজাৰ গুৰি ধৰোঁতা পূজাৰী বা পুৰোহিতক তেখেতসকলক নিজ কামৰ দায়িত্ব দিয়া (বৰণ দিয়া) ৰ সময়ত গোঁধা তামোল-পাণ সহিত মান সহকাৰে অনুৰোধ জনোৱা হয়। তেখেতসকলৰ কৰ্ম শেষ হোৱাৰ পিছত নিমন্ত্ৰিত অভ্যাগতসহ সকলোকে আপ্যায়ন কৰাই দিয়াৰ সময়ত গৃহস্থই তামোল-পাণেৰে সজোৱা শৰাই তেখেতসকলৰ প্ৰতি আগবঢ়াই মূৰ দোঁৱাই আশীৰ্বাদ লোৱাটো অসমীয়া সমাজৰ এটি প্ৰচলিত নিয়ম।

# দ্বিতীয় অধ্যায়

## ২.০ তামোল-পাণৰ উৎপত্তিঃ

তামোল গছৰ পৰা তামোলৰ উৎপত্তি হয় আৰু পাণ গছৰ পাতৰ পৰা পাণ। তামোল-পাণ এটা আনটোৰ পৰিপূৰক। তামোল গছডাল প্ৰাপ্তবয়স্ক অৱস্থালৈ দীঘলে প্ৰায় ৫০ ফুটমান ওখ আৰু ৬-৭ ইঞ্চি মান বহল হয়। পাণ এবিধ লতাজাতীয় গছ। অসমত সাধাৰণতে তামোল, মদাৰ, নাৰিকল আদি গছৰ গুৰিত ইয়াক ৰোপণ কৰা হয়। কোনো কোনো ঠাইত বাঁহৰ চাং পাতিও ইয়াৰ খেতি কৰা হয়।

তামোল গছ এবিধ শাখা-প্ৰশাখাবিহীন তাল জাতীয় উদ্ভিদ। তামোল হিচাপে খোৱা ফলবোৰ এই গছত ঠোকে-ঠোকে লাগে। পূৰঠ তামোল জেঠ-আহাৰ মাহত ভাল সঁচৰ নিৰোগী গছৰপৰা বাছি লৈ প্ৰথমে গজালি ওলাবলৈ পচাই লোৱা হয়। এনেদৰে তামোলৰ পালেং প্ৰস্তুত কৰি পোন্ধৰ ছেঃমিঃ মান দূৰে-দূৰে লগোৱা হয়।

তামোল পুলি ৰোৱা ঠাইডোখৰত পানী জমা হ'ব নালাগে। তামোল পুলি ৰোৱাৰ ৫-৬ বছৰৰ পিছত ফল লাগিবলৈ আৰম্ভ কৰে। তামোল ঠোক হিচাপে লাগে। একে জোপা গছত এবাৰতে কেইবাটাও তামোলৰ ঠোক ধৰে। একবাৰে ওপৰৰ ঠোকৰ তামোলতকৈ তলৰ ঠোকৰ তামোল খাবলৈ বেছি ভাল হয়। জেঠৰপৰা শাওণ মাহৰ ভিতৰত তামোলবিলাক পৈণত হৈ পকি উঠে। তামোলৰ ফুলবিলাকক ডাবি বুলি কয়। আৰু ডাবি মেলা পদ্ধতিক ডবিওৱা বুলি কয়। গছৰ পকা তামোলবিলাক যথা সময়ত সংগ্ৰহ কৰি আনি ভাল-বেয়া, ডাঙৰ-সৰু ভাগ কৰি বাছি পেলোৱা হয়। অসমীয়া মানুহে অভিনৱ পদ্ধতিৰে তামোল সংৰক্ষণ কৰে। তামোল বিলাক শুকোৱাই নষ্ট নহ'বৰ কাৰণে মাটিত গাঁত খান্দি পুতি থয়। ডেৰ/দুই ফুট ব্যাসাৰ্ধৰ ৩/৪ ফুট দ' গাঁত খান্দি গাঁতৰ তলত আৰু চাৰিওফালে তামোলৰ চকুৱা পাৰি দি হিচাপ কৰি (৪ টাই ১ অঁৰা, ২০ অঁৰাই ১ পোণ) তামোলেৰে গাঁতটো পূৰাই দিয়া হয়। গাঁতটো পূৰ হ'লে পুণৰ ঢকোৱাৰে তামোলখিনি ঢাকি দি তাৰ ওপৰত বতাহ সোমাব নোৱাৰাকৈ টানকৈ মাটি চপাই দিয়া হয়। ইয়াকে তামোল গোৰোৱা বুলি কয়। ইয়াৰ ফলত বাহিৰৰ বাকলিখন গেলি গৈ ভিতৰৰ খোৱা তামোল ফলটো বহু দিনলৈকে ভালে থাকে। গোৰোৱা তামোলৰ আদৰ সুকীয়া। অস্থায়ীভাৱে ঘৰত ব্যৱহাৰ কৰিবলৈ বহুতে মাটিৰ কলহ বা টেকেলীত পানী ভৰাই তামোল ডুবাই থয়। তেতিয়াও বাকলি গেলি যায়। বাকলি গেলিলে অৱশ্যে বৰ বেয়া গোন্ধ ওলায়। তথাপি তামোল খোৱা অসমীয়া মানুহে লোভ এৰিব নোৱাৰে।

পাণ এবিধ লতা জাতীয় উদ্ভিদ। অসমীয়া মানুহে সাধাৰণতে তামোল গছতে পাণ গছ বগাবলৈ সুবিধা কৰি দিয়ে। কোনো কোনোৱে অৱশ্যে অন্য গছ আৰু চাঙো পাণ বগাবলৈ ব্যৱহাৰ কৰে। কেইবাটাও প্ৰজাতিৰ পাণ আছে। যেনে- গান্ধ পাণ, সাঁচী পাণ, মিঠা পাণ, আউলী পাণ ইত্যাদি। তদুপৰি উৎপাদন হোৱাৰ স্থানৰ নাম অনুসৰিও পাণৰ নামকৰণ হোৱা দেখা যায়। যেনে- অসমীয়া পাণ, নগা পাণ, খাচী পাণ, গাৰো পাণ, বাংলা পাণ ইত্যাদি। প্ৰকাৰভেদে পাণৰ সোৱাদৰ তাৰতম্য হোৱা দেখা যায়।

অংগজ প্ৰজননৰ দ্বাৰা পাণৰ বংশ বৃদ্ধি কৰা হয়। তিনি-চাৰিটা গাঁঠি থকা পুৰঠ ঠেঙুলি আনি প্ৰথমে চপাই লোৱা হয়। পানী জমা নোহোৱা সাৰুৱা মাটি পাণ গছৰ কাৰণে উপযোগী। পচাই থোৱা ঠেঙুলিবিলাকৰপৰা গঁজালি আৰু শিপা ওলালে বাৰিষা বতৰত সেইবোৰ তুলি আনি তামোল গছৰ গুৰিৰ পৰা দুফুটমান আঁতৰত এটা আহল-বহল দ'গাঁত কৰি তাত পচন জাতীয় সাৰ দি ৰোৱা হয়। চাং বা খুঁটিত বগোৱাৰ ব্যৱস্থা কৰিব খুজিলে পাণৰ পুলিবোৰ তিনি ফুটমান আঁতৰে-আঁতৰে ৰুব লাগে। ৰোৱাৰ পিছত বাঢ়ি অহা আগবিলাক সাৱধানেৰে বান্ধি দি বগাবলৈ সুবিধা কৰি দিয়া হয়। দুবছৰমান পিছৰপৰা পাণগছ ক্ৰমে উৎপাদনক্ষম হৈ উঠে। পৰিকল্পিতভাবে তামোল-পাণৰ খেতি কৰি ব্যৱসায়িক সফলতা আৰু অৰ্থনৈতিকভাবে স্বাৱলম্বী হৈ বহু পৰিয়াল চলি আছে।

## ২.১ প্ৰজনন প্ৰক্ৰিয়াঃ

তামোলৰ পুষ্পবিন্যাস Spadix প্ৰকাৰৰ আৰু যথেষ্ট শাখা-প্ৰশাখাযুক্ত। গোটেই পুষ্পবিন্যাসটো প্ৰাৰম্ভণিতে এখন চাকনিৰে (Spath) আবৃত্ত হৈ থাকে যদিও পাছলৈ এই চাকনিখন সৰি পৰে আৰু ভিতৰত থকা একলিংগী ফুলৰ শাখা-প্ৰশাখা বিলাক ওলাই পৰে। তামোলৰ পুষ্পবিন্যাসটোক তামোলৰ থোক বুলি জনা যায়। এথোক তামোলৰ পুষ্পবিন্যাসত বহুতো সৰু সৰু পুংপুষ্প ধাৰণ কৰাৰ বিপৰীতে নগণ্য সংখ্যক ডাঙৰ স্ত্ৰীপুষ্প থাকে। প্ৰতিটো স্ত্ৰীপুষ্প বিকশিত হৈ একোটা তামোললৈ ৰূপান্তৰিত হয়। তামোলৰ ফল সাধাৰণতে ডিম্বাকৃতিৰ হয়। দীঘলে ৫-৭ চেণ্টিমিটাৰ আৰু পুতলে ৪-৫ চেণ্টিমিটাৰ মান হ'ব। কেঁচা তামোল সেউজীয়া, পকিলে উজ্জ্বল কমলা বৰণ লয়। তামোল এবিধ Nut জাতীয় ফল। ইয়াৰ বহিঃস্তক তন্তুময় আৰু ভিতৰৰ গুটিটো তামোল হিচাপে ব্যৱহাৰ হয়। তামোলৰ ভিতৰত ৰঙচুৱা-মুগা বৰণৰ কিছুমান ৰেখা থাকে।

উপাদানঃ

পকা তামোলত থকা উপাদানসমূহ-

| | |
|---|---|
| জলীয় বাষ্প | ৩১.৩% |
| প্ৰ'টিন | ৪.৯% |
| ফেট | ৪.৪% |
| কৰ্বোহাইড্ৰেট | ৪৭.২% |
| অজৈৱ | ১% |
| কেলচিয়াম | ০.৫৫% |
| ফছফৰাছ | ০.১৩% |
| আইৰণ | ১.৫ মিলিগ্ৰাম(প্ৰতি ১০০ গ্ৰামত) |

তামোলত থকা Arecoline নামৰ ৰাসায়নিক পদাৰ্থবিধ মানৱ শৰীৰৰ বাবে হানিকাৰক। তামোলৰ পেলুনাশক গুণ আছে।

# তৃতীয় অধ্যায়

## ৩.০ "অসমীয়া সমাজত তামোল-পাণ"

### ৩.১ ধৰ্মীয় ৰীতি-নীতি আৰু অনুষ্ঠানত তামোল-পাণঃ

ধৰ্মীয় আৰু সামাজিক অনুষ্ঠানসমূহত গুৱা-পাণ বা তামোল-পাণৰ ব্যৱহাৰ অসমীয়া সমাজত অপৰিহাৰ্য। তামোল-পাণ আগবঢ়াইহে যিকোনো ধৰ্মীয় বা সামাজিক অনুষ্ঠান আৰম্ভ কৰা হয়। আনকি আলহী অতিথিকো প্ৰথমে গুৱা-পাণেৰেহে অভ্যৰ্থনা কৰা হয়। তামোল-পাণৰ শৰাই আগবঢ়োৱাটো অতি সন্মানৰ চিন। উৎসৱ-পাৰ্বণৰ বাবে গায়ন-বায়নৰ দল নিমন্ত্ৰণ কৰি আনোতে আৰু সেইদৰে গায়ন-বায়ন বা নাম-কীৰ্ত্তন আৰম্ভ কৰোঁতে তামোলৰ শৰাই আগবঢ়োৱা নিয়ম। বিহুৰ দিনা মান্য লোকক সেৱা সৎকাৰ কৰোঁতে, শিক্ষাগুৰুক সেৱা কৰোঁতে তামোল-পাণৰ ব্যৱহাৰে গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আহিছে। ব'হাগ বিহুৰ সময়ত গৃহস্থই বিহুৱা দল বা হুঁচৰি দলক ফুলাম গামোচাৰে সৈতে তামোল-পাণ এথোক দি সেৱা কৰে আৰু বিহুৱা দল বা হুঁচৰি দলে মঙ্গলাশীৰ্বাদ দিয়াৰ প্ৰথা অতীতৰ পৰা প্ৰচলিত হৈ আহিছে।

ধৰ্মীয় কাৰ্যৰ পূজা-পাৰ্বণ, নাম-প্ৰসঙ্গ আদিৰ বাবে যি নৈবেদ্য আগবঢ়োৱা হয় সেই নৈবেদ্যৰ লগতো তামোল-পাণ অপৰিহাৰ্য। পূজাৰ পুৰোহিত আৰু নামৰ পাঠকক তেখেতসকলৰ দায়িত্ব অৰ্পণ কৰাৰ সময়ত তামোল-পাণ আগবঢ়োৱা হয়। দীক্ষা লোৱাৰ সময়ত গুৰু ঘৰলৈ গৈ তামোল-পাণৰ শৰাই আগবঢ়োৱাৰ উপৰি পৰৱৰ্তী সময়ত গুৰুক সাক্ষাৎ কৰোঁতেও তামোল-পাণ আগবঢ়াই মান ধৰাৰ নিয়ম। বেজ, ওজা, জ্যোতিষী আদিৰ ওচৰতো তামোল-পাণ আগবঢ়াব লাগে। অসমীয়া লোকে দৈৱ, ভাগ্য আদি বিশ্বাস কৰে। ভাগ্যচক্ৰত পৰি কোনো বিপদ-আপদ, অপায়-অমংগলৰ সন্মুখীন হ'লে সেইবিলাকৰ পৰা পৰিত্ৰাণ পাবলৈ কোনো দেৱ-দেৱীৰ পূজা অৰ্চনাৰ বা নাম-প্ৰসঙ্গ আদিৰ বাবে মানস কৰে। মানস কৰাৰ সময়ত তামোল-পাণ এযোৰ কলপাতেৰে মেৰিয়াই থৈ দিয়ে আৰু যথা সময়ত মানস কৰা শুভ কাৰ্য ফেৰা সম্পন্ন কৰে।

তামোলে অসমীয়া সমাজখনত ইমানেই প্ৰভাৱ পেলাইছে যে যাৰ লগত উপমা দি বিহুগীত ৰচিত হৈছে এনেদৰে-

'দেখিবলৈ শুৱনি তোমাৰ বুকুখনি

কুমলীয়া তামোলৰ থোক।
মিচিকিয়া হাঁহিটি লাহৰী ওঁঠতে
কোন সতে এৰি যাওঁ তোক।।'[১]

'বাৰীৰ ডেওনা মুকলি জপনা
মদাৰৰ আউলী পাণ।
বাটৰ মগনীয়া সুধিব পাৰোঁ মই
দেহাৰে সোধাটো টান।।'[২]

'তোমাৰ কটা তামোল নেখাওঁ ঐ লাহৰী
আমাৰে মৰিব কুল।।'[৩]

'ঠুৰিয়াই কাটিলা তামোল তিনিখনি
নুৰিয়াই বান্ধিলা পাণ
তামোল তিনিখনি খাবৰে পৰা
পাহৰি থকাটো টান।।'[৪]

কাতি বিহুৰ দিনা পথাৰত আকাশ বাতি (আকাশ বন্তি) দিওঁতে প্ৰথমে কেঁচা তামোল ব্যৱহাৰ কৰা হয়। আৰু সেইদিনাৰ পৰাই কেঁচা তামোল খোৱাৰ নিয়ম। পকা তামোল মাটিত পুতি থৈ সাঁচি খোৱাৰো নিয়ম আছে।

লখিমী সবাহৰ নামতো তামোল-পাণৰ বিষয়ে উল্লেখ আছে-

'ঠায়ে মচি দিয়া পাতে পাৰি দিয়া
লখিমী আই আহিলে বুলি
ৰাঙলী ৰঙা পাণ গুৱা মাটি দিয়া
গুৱা ভালে কৰি তুলি।।'[৫]

এনেদৰে বিভিন্ন পৰিৱেশত বিভিন্ন ধৰণৰ বিহুগীতত তামোল-পাণৰ উল্লেখ আছে।

### ৩.২ প্ৰেম নিবেদনৰ ক্ষেত্ৰত তামোল-পাণঃ

প্ৰেমৰ ক্ষেত্ৰতো তামোল-পাণে বিশেষ তাৎপৰ্য বহন কৰি আহিছে। তামোল-পাণে ডেকা গাভৰুৰ হিয়াৰ আদান-প্ৰদানৰ মাধ্যম হিচাপে কাম কৰে। তামোলে আনকি ডেকাৰ অন্তৰৰ বেদনাও প্ৰকাশ কৰে। 'লোকলৈ চুপতি কৰা নাই লাহৰি মনত কথাযাৰ আহে, তামোল হোৱা হ'লে ফালি যেন দেখুৱাম ভিতৰত কি কথা আছে।' [৬] অসমীয়া সংস্কৃতিৰ অন্যতম লোকগীতসমূহত বহুল অংশত তামোলক প্ৰেম-ভালপোৱাৰ প্ৰতীক হিচাপে ব্যৱহাৰ কৰি অহা হৈছে।

লোহাৰ শিকলিৰে বান্ধি ৰাখিব নোৱাৰা ডেকা-গাভৰুৰ অফুৰন্ত যৌৱনৰ মনটো মাত্ৰ তামোলখনেই বান্ধিব পাৰিছিল। এই তামোলখনেই প্ৰেমত বলিয়া ডেকা-গাভৰুৰ যৌৱনৰ অফুৰন্ত ভাৱ প্ৰকাশ কৰিব পাৰিছে। অতীতত ডেকাই গাভৰুক তামোল এখন খোজাৰ কৌশলেৰে প্ৰেম যাচিছিল আৰু গাভৰুৱেও কটা তামোলখনি দি হিয়া উবুৰিয়াই যচা প্ৰেমৰ আশা দিছিল। কোনো কালেই ডেকাক নিৰাশ নকৰিছিল। থুৰিয়াই থুৰিয়াই তামোল কাটি দিছিল, তাৰ মাজতে দিছিল লং আদি বিহুগীতৰ মাধ্যমেদি ডেকা-গাভৰুক পৰস্পৰে-পৰস্পৰক নিচেই কাষলৈ চপাই আনে। ডেকাই গাভৰুৰপৰা নিজে কটা তামোল পালে মনৰ আনন্দত আত্মহাৰা হয় আৰু জীৱনত সাৰ্থকতা পাইছোঁ বুলি বিশ্বাস কৰে।

থুৰিয়া তামোলখনিত নিহিত যাদু আছে, পীৰিতি আছে, অকৃত্ৰিম ভালপোৱাৰ চেনেহ আছে, যুৰীয়া জীৱনৰ সুৰীয়া মাত আছে, যৌৱনৰ বিজয় জংকা আছে, নিষ্কলংক প্ৰেমৰ অমোঘ অস্ত্ৰ আছে। তেনে মন্ত্ৰাবৃত্ত তামোলখনি ডেকাই নাখাই থাকিব নোৱাৰে আৰু খালেও হেঁপাহ নপলাই-

'নেখায়ো নোৱাৰোঁ খালেও নামুৱায়।
চেনাইৰে তামোলখনি।
থুৰিয়া তামোলেৰে আহুদি কৰিলি
মোৰ গাত লাগিছে শনি।।' [৭]

অতীজত তামোলৰ লগত আৰ্হদি দি মানুহৰ মন ভোলাইছিল যাৰ ফলত নৱমৰ গাভৰুজনীৰ বাবেই অলিয়া-বলিয়া হৈ পৰিছিল, যাৰ বাগি কিমান নিৰ্মম, কিমান অসত্য বেদনাসিক্ত। কিমান কৰ্কশ, কিমান কঠোৰ সেয়া বিপৰীতত সুন্দৰকে প্ৰতিফলিত হৈছে-

'কি কথা কৰিলা          কি বুধি কৰিলা
        থুৰিয়া তামোলৰ লগত।
খাওঁতে শোওঁতে          উঠোতে বহোতে
        সদায় পৰি থাকে মনত।।'৮

### ৩.৩ বিয়া-বাৰুৰ ক্ষেত্ৰতঃ

বিয়া-বাৰুৰ ক্ষেত্ৰতো তামোল-পাণৰ ব্যৱহাৰ অসমীয়া সমাজত এৰাব নোৱৰা। আগৰ দিনত ল'ৰাৰ ঘৰৰ ফালৰ পৰা ছোৱালী ঘৰত বিয়াৰ প্ৰস্তাৱ দিয়া অৰ্থাৎ ছোৱালী খুজিবলৈ যাওঁতে দৰা ঘৰৰ মানুহে লগত ঠোক তামোল নিয়াৰ নিয়ম। তাৰ পিছতহে দুয়োপক্ষৰ মাজত মত বিনিময়ৰ অন্তত ল'ৰা-ছোৱালীৰ মাজত বিয়াৰ বন্দবস্ত হয়। গৃহস্থজনৰ কাৰণে অকলে ৰভা-পৰলা দি, নিমন্ত্ৰিতক আদৰ-আপ্যায়ন কৰি বিবাহৰ সকলো কাৰ্য এককভাৱে সমাধা কৰাটো সম্ভৱ নহয়। তেনে ক্ষেত্ৰত তামোল-পাণৰ শৰাইৰে সৈতে সমাজৰ লোকসকলৰ আগত আঁঠু লৈ সহায় বিচাৰিলে, বিবাহানুষ্ঠান সুকলমে সমাধা কৰাত সকলোৱে লগ-লাগি সহায় কৰি দিয়ে।

বিবাহ, উপনয়ন আদি অনুষ্ঠানলৈ অভ্যাগতক নিমন্ত্ৰণ কৰোঁতে আগ-গুৰি কটা তামোল-পাণ শৰাইত সজাই শৰাই ঢকাৰে ঢাকি সম্ভ্ৰমেৰে নিমন্ত্ৰণ কৰাৰ নিয়ম। বৰ্তমান যুগত ছপা চিঠিৰ প্ৰচলন যদিও বিশেষ বিশেষ ব্যক্তিক নিমন্ত্ৰণৰ ক্ষেত্ৰত তামোল-পাণৰ ব্যৱহাৰ এতিয়াও প্ৰচলিত। নিমন্ত্ৰিত অতিথিক আহি পোৱাৰ লগে লগে আৰু যোৱাৰ সময়ত কটা তামোল-পাণ আগবঢ়োৱাটো প্ৰচলিত-ৰীতি।

বিবাহনুষ্ঠানত দৰাৰ ঘৰৰ পৰা কইনাক জোৰোণ পিন্ধাবলৈ যাওঁতে দৰা ঘৰৰ মানুহে লগত ঠোক তামোল আৰু পাণ লৈ যায়। পদূলি মুখত কইনা ঘৰৰ লোকে দৰাঘৰীয়া জোৰোণৰ দলটোক আদৰোঁতে থুৰীয়া তামোলেৰে ভৰা শৰাই সলনা-সলনি কৰে। বিবাহৰ কাৰণে দৰা-কইনাৰ ঘৰলৈ

আহোঁতে পদুলিমুখত কইনাৰ ঘৰৰ পৰা দৰাক আদৰিবলৈ থুৰীয়া তামোল-পাণৰ প্ৰয়োজন হয়। দৰা-কইনা ঘৰ গৈ পোৱাৰ পিছত ঘৰৰ ভিতৰত থকা কইনাজনীক ৰভাতলৰ বিবাহস্থলীলৈ উলিয়াই দিবলৈ দৰা ঘৰৰ ফালৰপৰা কইনা ঘৰক অনুৰোধ জনাব লগা হয়। তেতিয়াও তামোল-পাণৰ শৰাইৰ প্ৰয়োজন হয়। দৰাৰ সম্বন্ধীয়া জ্যেষ্ঠজনক কইনাৰ ফালৰ পৰা আৰু কইনাৰ সম্বন্ধীয়া জ্যেষ্ঠজনক দৰাৰ ফালৰপৰা সন্মান জনোৱাটো এটা পৰম্পৰা। ইয়াক 'মানধৰা' বুলি কোৱা হয়। এই মানধৰা পৰ্ব পালন কৰোঁতে মান্যানুসাৰে চাদৰ, গামোচা আদি বস্ত্ৰৰ লগতে গোটা তামোল-পাণ আগবঢ়াই সন্মান জনোৱা হয়। বিবাহ কাৰ্য সম্পন্ন হোৱাৰ পিছত কইনাক দৰা ঘৰলৈ উলিয়াই পঠাওঁতে লগত ঠোক তামোল আৰু পাণ দি পঠোৱা হয়। বিয়াৰ দিনা পুৱতি নিশা দৰাৰ ঘৰত দৰাক আৰু কইনাৰ ঘৰত কইনাক ঘৰৰ দুৱাৰমুখত ভিতৰমুৱাকৈ বহুৱাই আয়তীসকলে দুখন পাণত দৈ লগাই লৈ দুয়োখন পাণ দুহাতত লৈ দৰা-কইনা উভয়ৰে গাল-মুখ, হাত-ভৰি আদি বিভিন্ন অংশত সানি দিয়ে। ইয়াক 'দৈয়ন দিয়া' বুলি কয়। বিবাহ কাৰ্যৰ অন্যান্য পৰ্বতো তামোল-পাণৰ ব্যৱহাৰ হয়। বিবাহ কাৰ্য আৰম্ভ হোৱাৰ পৰা শেষ হোৱালৈকে দৰা-কইনা উভয়েই এযোৰ তামোল কটাৰী ৰখাৰ বিধি। আনকি বিবাহ কাৰ্যত কইনাক পাণ গছকাই পিতৃৰ গোত্ৰ ত্যাগ কৰি স্বামীৰ গোত্ৰ গ্ৰহণ কৰোৱা হয়। অসমৰ কিছুমান ঠাইত গ্ৰহণ কৰোৱা হয়। অসমৰ কিছুমান ঠাইত পাণ ছিঙি দৰা-কইনাৰ বিবাহ বিচ্ছেদ ঘটোৱা প্ৰথা প্ৰচলিত।

আহোমৰ চক্‌লং বিবাহ পদ্ধতিটো তামোল-পাণৰ প্ৰয়োজনৰ বিষয়ে বুৰঞ্জীত আছে। "কাঁহৰ বাটি এটা ভৰাই দৈ, আৰুঁ গাখীৰ, মৌ, চেনী, ঘিঁউ মিহলোৱা পঞ্চামৃত এবাটি আনি ৰজাৰ ওচৰত দিব। তাৰে পৰা আঙুলি লগাই আনি মুখলৈ টোঁৱাই সুঙ্গি পেলাই খৰিকা লৈ মুখে পানী লৈ তামোল চোবাব। এইদৰে পুনঃপুনঃ ঐকৈশ বেলি পঞ্চামৃত সুঙ্গি ২১ ডাল খৰিকা, ২১ চলুপানী, ২১ খন থুৰীয়া তামোল চোবাই পেলাব পায়।

বাৰীত তামোল-পাণ ৰোৱা অসমীয়া গাঁৱলীয়া মানুহৰ ধৰা-বন্ধা ৰীতি। অসমীয়া মানুহৰ প্ৰিয় কথা এফাঁকি মনকৰিবলীয়া। ছোৱালীজনী বিয়া দিওঁতে সকলোৰে দুখ লাগে, সেয়ে বিয়ানামত গোৱা হয়, 'আগফাল শুৱনি কাকিনী তামোলে পাছফাল শুৱনি পাণ বৰঘৰ শুৱনি জীয়ৰী ছোৱালী উলিয়াই দিবলৈ টান।'

### ৩.৪ দৰব আৰু মন্ত্ৰ হিচাপে তামোল-পাণৰ ব্যৱহাৰঃ

অসমৰ বহুতো বন দৰবত তামোল-পাণ আৱশ্যকীয় উপাদান। অসমৰ বেজ, কবিৰাজ সকলে পেটৰ বিষ, দাঁতৰ বিষ আদিত তামোল উপকাৰী বুলি গণ্য কৰিছিল। তামোলৰ পিক গৰুৰ ছাল আৰু চকুৰ বেমাৰৰ দৰৱ হিচাপে ব্যৱহাৰ কৰা হৈছিল। তামোল-পাণে হজম শক্তি বঢ়াই বাবে মুখশুদ্ধি হিচাপে ব্যৱহাৰ কৰা হয়। তামোল-পাণে মুখৰ দুৰ্গন্ধ আঁতৰোৱাতো সহায় কৰে। তামোল-পাণৰ অলৌকিক গুণ থকা বুলি ধৰা হৈছে। তামোলেৰে মন্ত্ৰ কৰাকে 'আহুদি' কৰা বুলি কোৱা হৈছিল। গিৰীয়েকে-ঘৈণীয়েকক আৰু ঘৈণীয়েকে গিৰীয়েকক বশ কৰিবলৈ তামোল-পাণত মন্ত্ৰ কৰা হৈছিল। এইটোও বিশ্বাস কৰা হৈছিল যে চুণেৰে সৈতে তামোল-পাণ কোনো জলচৰ প্ৰাণীৰ মুখত লগাই সেই তামোল-পাণ গিৰীয়েকক বা ঘৈণীয়েকক খুৱালে ইজন আনজনৰ বশ হয়। কালিকা মন্ত্ৰ মাতি চোবোৱা তামোলখন কাৰোবাৰ ঘৰৰ চাৰিসীমাৰ ভিতৰত পেলোৱা হয়। তেনেহ'লে গৃহস্থৰ টোপনি নহা বেমাৰ হয়।

# চতুর্থ অধ্যায়

## ৪.০ অসমত তামোল খোৱা প্ৰথাঃ

অসমত সাধাৰণতে কেঁচা তামোল আৰু বুঢ়া তামোল চূণ আৰু পাণেৰে খোৱা হয়। পুৰণি কালত তামোল খাবৰ বাবে বিশেষ এজাতি শামুক পুৰি চুণ তৈয়াৰ কৰা হৈছিল। পুৰণি অসমীয়া সাহিত্যত কৰ্পূৰেৰে তামোল খোৱাৰ উল্লেখ আছে। কোনো কোনো ঠাইত বিশেষ প্ৰকাৰে ধঁপাত তৈয়াৰ কৰি তামোলৰ লগত খোৱা হয়। বানৰ হৰ্ষচৰিত আৰু মুছলমান বুৰঞ্জীবিদসকলৰ টোকাতো অসমীয়া মানুহৰ তামোল-পাণৰ ব্যৱহাৰ উল্লেখ আছে। অসমীয়া মানুহে বিবাহ আদি শুভ অনুষ্ঠানত বিশেষভাবে সন্মান প্ৰদৰ্শন কৰি থুৰীয়া তামোল আগবঢ়ায়। থুৰীয়া তামোল হ'ল এখিলা পাণৰ আধা ভাগত তামোল এখন ভৰাই কৰা শংকু আকৃতিৰ ৰূপটো। সাধাৰণতে থুৰীয়া তামোল খাবলৈ ব্যৱহাৰ কৰা নহয়। অকল উৎসৱ-পাৰ্বণ আদিতহে ব্যৱহাৰ কৰা হয়। পাণ খাওঁতে পাণখিলাৰ আগ-গুৰি আৰু ওপৰৰ সিৰডাল কাটি পেলাইহে খোৱা হয়।

পাণৰ লগত কিছুমান জনবিশ্বাস জড়িত হৈ আছে। উদাহৰণ স্বৰূপে পাণৰ সিৰ খালে মানুহ মুৰ্খ হয়। দুজন মানুহে হাতে হাতে পাণ ছিঙিব নেপায়, তেনে কৰিলে মানুহ দুজনৰ মাজত কাজিয়া লাগে। ভাত খাই উঠিয়েই পাণৰ গছৰপৰা পাণ ছিঙিব নেপায়, তেনে কৰিলে পাণ গছ মৰি যায়। সন্মানীয় বা জেষ্ঠজনক হাতে হাতে তামোল দিয়া নহয়। বটা বা শৰাইতহে তামোল-পাণ খাবলৈ আগবঢ়াই দিয়া হয়। অসমৰ বিভিন্ন জাতি আৰু গোষ্ঠীৰ মাজতো তামোলৰ ব্যৱহাৰ এটি সাধাৰণ ৰীতি। এতিয়াও দূৰ ভ্ৰমনলৈ যাবলৈ ওলোৱাজনে তামোল এটোপোলা লৈ ওলায়। ই ভ্ৰমণৰ ক্লান্তি আঁতৰায়, লগতে সহযাত্ৰীৰ লগত সম্পৰ্ক অতি কম সময়ৰ ভিতৰত মধুৰ কৰাটো বিশেষভাবে সহায় কৰে। বৰ্তমান সময়তো ৰাস্তাই-ঘাটে হঠাতে পৰিচিত মানুহক লগ পালে ওচৰৰ পাণ দোকানলৈ লৈ গৈ তামোল এখন যঁচাটো অসমীয়া মানুহৰ এক প্ৰকাৰৰ সৌজন্য। খ্ৰীষ্টীয় দ্বাদশ শতিকাত ৰচিত কালিকা পুৰণত পোন প্ৰথমবাৰৰ বাবে ধৰ্মীয় দক্ষিণা হিচাপে তামোল-পাণ দিয়া উল্লেখ আছে। প্ৰাগজ্যোতিষপুৰ নগৰখন ৰজা বলবৰ্মনে তামোল-পাণৰ গছ ৰুই সজোৱা বুলি বৰ্ণনা আছে। সপ্তম শতিকাত পোৱা শিলালিপিতো লৌহিত্যৰ পাৰত তামোল-পাণ থকাৰ উল্লেখ আছে। জনশ্ৰুতি মতে তামোল-পাণেৰে আগুৰি থকা বাবেই প্ৰাগজ্যোতিষপুৰৰ নাম পাছলৈ গুৱাহাটী(গুৱা= তামোল) হয়।

অসমত তামোল খোৱা ৰীতি বহুলভাৱে প্ৰচলিত আছিল বুলি যোগিনী তন্ত্ৰৰ এটি শ্লোকত আছে। আন খাদ্যদ্ৰব্য একেলগে খোৱাত বাধা-নিষেধ থাকিলেও তামোল খোৱাৰ ক্ষেত্ৰত এনে

ধৰণৰ বাধা নাই। পুৰুষ-মহিলা উভয়ে, সকলো বয়সৰ ব্যক্তিয়ে একেলগে তামোল খোৱাত কোনো সামাজিক বাধা নাই। আহোমৰ দিনত ৰজা বা ডা-ডাঙৰীয়াসকলে তামোল যোগান ধৰিবলৈ এজন সুকীয়া বিষয়া ৰখা হৈছিল, যাৰ উপাধি আছিল তাম্বুলী। আনকি সত্ৰসমূহতো 'গুৱাকটা' নামৰ এটি পদ আছিল। আহোম ৰজাসকলে তামোল-পাণৰ খেতিত বিশেষ গুৰুত্ব দিছিল আৰু এই ক্ষেত্ৰত পাৰদৰ্শিতা প্ৰদৰ্শন কৰা বিষয়াক তাম্বুলী ফুকনৰ পৰা বৰবৰুৱালৈ পদোন্নতি দিয়াৰ কাহিনী পোৱা যায়।

অসমীয়া মানুহৰ তামোল খোৱাৰ পদ্ধতি বেলেগ। আন আন ৰাজ্যত তামোল শুকুৱাই চুপাৰি তৈয়াৰ কৰি লয়। লগত কেইবাটাও বস্তু সংমিশ্ৰণ কৰি খায়। অসমত কেঁচা তামোল চুণ-চাদাৰ লগত পাণ লগাই খোৱা হয়। আগৰ আইতা-ককাহঁতৰ সোলামুখৰ সেলেঙী বোৱা তামোলৰ দৃশ্য আজিকালি দেখা নাযায়। নকল দাঁত লগোৱা ককা-আইতাহঁতে তামোল চোবাই পাগ লগাব নোৱাৰে। আনহাতে, বৰ্তমানৰ ককা-আইতা বেছিভাগেই কম বয়সৰ। গতিকে আইতাৰ সেলেঙি লগা ওঁঠৰ কথা ভাবিব নোৱাৰি এতিয়া।

# পঞ্চম অধ্যায়

## ৫.০ উপসংহাৰঃ

অসমীয়া জনজীৱনত তামোল-পাণৰ ব্যৱহাৰ এৰাব নোৱৰা ধৰণে সাঙোৰ খাই আছে। ডেকা দাঁত থকা মানুহে তামোল খনিয়া কৰি (গোটা তামোল ফালি), আদহীয়া মানুহে পতহিয়াই (মিহিকৈ চকলিয়াই) আৰু বয়সীয়াল দাঁত নথকা মানুহে খুন্দনাত গুৰি কৰি খায়। এনেকুৱা অসমীয়া মানুহ বহু আছে। যাৰ তামোল এখন নাখালে গা-মন অস্থিৰ কৰে বা ৰাতি টোপনিয়েই নধৰে। আগৰ দিনত সময়ৰ হিচাপ ঘণ্টা-মিনিটেৰে নহয় তামোল এখন খোৱা ৰেহে নির্ধাৰণ কৰিছিল। যেনে- তামোল খোৱা বাট।

অসমীয়া মানুহে অৱশ্যে কেঁচা বা গোৰোৱা তামোলহে ব্যৱহাৰ কৰে। অসমৰ চুবুৰীয়া ৰাজ্য মেঘালয়তো সেইদৰে ব্যৱহাৰ হয়। জনজাতিৰ ভিতৰত খাচী আৰু মিকিৰসকলেই তামোল বেছি খায়। খাচীসকলে মৃতকৰ সৎকাৰ কৰোঁতে শৱৰ ওপৰত তামোল এখন থৈ নিৱেদন জনায়, "বিদায়। ভগৱানৰ ওচৰলৈ গৈ তামোল এখন খোৱাগৈ।" পূর্বে মৃতকৰ সৎকাৰ উৎসৱতো তামোলৰ ব্যৱহাৰ চলিছিল। তামোল-পাণ খালে দাঁতত ৰং ধৰি যায় যদিও তামোলে দাঁত সুস্থ কৰি ৰাখে আৰু পাণৰ ৰসে খোৱা বস্তু হজম কৰাত সহায় কৰে। সময়ৰ লগে লগে মিঠাপাণ, জৰ্দ্দাপাণৰ প্ৰভাৱত তামোলৰ প্ৰাধান্য কিছু কমিছে যদিও তামোল অসমীয়া সমাজ আৰু সংস্কৃতিত এক অপৰিহাৰ্য আৰু বিশিষ্ট স্থান গ্ৰহণ কৰি আছে।

## ৫.১ সিদ্ধান্তঃ

অসমীয়া সমাজত তামোল-পাণ সম্পৰ্কে আলোচনা কৰোঁতে আলোচনাপত্ৰখনত আমি কিছুমান সিদ্ধান্তত উপনীত হ'ব পাৰো। সেইবোৰ হৈছে-

১) অসমীয়া জাতীয় জীৱনত তামোল-পাণৰ স্থান ইমান উচ্চ যে ই লোক-সংস্কৃতিৰ প্ৰতিটো দিশৰ সৈতে সংলগ্ন হৈ আছে।

২) অসমীয়া সমাজৰ বিভিন্ন ধৰ্মীয় অনুষ্ঠান আৰু সামাজিক লোকাচাৰতো তামোল-পাণৰ ব্যৱহাৰ দেখা পোৱা গৈছে।

৩) অসমীয়া সমাজত তামোল-পাণৰ বিশেষ প্ৰচলন আৰু আদৰ আছে। প্ৰাত্যহিক জীৱনত তামোল-পাণ অবিহনে অসমীয়া সমাজ অচল।

প্ৰসংগটোকাঃ


১. বিৰিঞ্চি কুমাৰ বৰুৱা ঃ অসমৰ লোক সংস্কৃতি, পৃ. ৯৯

২. চাও লোকেশ্বৰ গগৈ ঃ অসমৰ লোক সংস্কৃতি, (দ্বিতীয় খণ্ড) পৃ. ২১২-২১৫

৩. অংশুমান দাস ঃ অসমৰ জনগোষ্ঠীয় লোক খাদ্য, পৃ. ৭৯-৮০

## গ্ৰন্থপঞ্জী ঃ


বৰুৱা,প্ৰদীপ ঃ *চিত্ৰ-বিচিত্ৰ*, অসম, প্ৰকাশক ঃ নগেন শৰ্মা, জ্যোতি প্ৰকাশন,পাণবজাৰ প্ৰথম প্ৰকাশ জানুৱাৰী,২০০৩

বৰুৱা,বিৰিঞ্চি কুমাৰ ঃ অসমৰ *লোক-সংস্কৃতি*, বীণা লাইব্ৰেৰী,গুৱাহাটী ঃ অসম

গগৈ,চাও লোকেশ্বৰ ঃ অসমৰ *লোক-সংস্কৃতি (২)* ক্ৰান্তিকাল প্ৰকাশন প্ৰথম প্ৰকাশ,ফেব্ৰুৱাৰী ২০১১ চন

দাস,অংশুমান (সম্পা) ঃ *অসমৰ জনগোষ্ঠীয় লোক খাদ্য*, প্ৰথম প্ৰকাশ,ছেপ্তেম্বৰ ২০২১

# তথ্যদাতাৰ তালিকা

(ক) মাকন কছাৰী

বয়স : ৪৫ বছৰ

বৃত্তি : গৃহিনী

ঠিকনা : ন-পাম আঁৰৰীয়া গাওঁ

ডাকঘৰ : জালুকণিবাৰী

জিলা : যোৰহাট

ৰাজ্য : অসম

ফোন নম্বৰ : ৭০৮৬১২৯৫৫৬

(খ) জুনু শইকীয়া

বয়স : ৪০

বৃত্তি : গৃহিনী

ঠিকনা : ন-পাম আঁৰৰীয়া গাওঁ

ডাকঘৰ : জালুকণিবাৰী

জিলা :যোৰহাট

ৰাজ্য : অসম

ফোন নম্বৰ : ৭০৮৬২৭২৩৪৪

(গ) পাহৰি কছাৰী

বয়স : ৫৫বছৰ

বৃত্তি : গৃহিনী

ঠিকনা : ন-পাম আঁৰৰীয়া গাওঁ

ডাকঘৰ : জালুকণিবাৰী

জিলা : যোৰহাট

ৰাজ্য : অসম

ফোন নং : ৮০১১৭০৪৪২৭



জেষ্ঠজনক সম্বৰ্ধনা এখন বটা



শুৱীয়া তামোল-পান



পান গছ



তামোল-পানে পৰিপূৰ্ণ এখন বটা



চৌকস তামোল



মাংগলিক অনুষ্ঠানত তামোল-পান